ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ ৰাজ্যিক সমন্বয়কৰ কাৰ্যালয়,
অচ্যুৎ প্লাজা, প্ৰথম মহল, ভৰলুপাৰ, ভঙ্গাগড়, গুৱাহাটী-৫ ।

স্মাৰক নং এছ পি এম ইউ/এন আৰ চি/মে:ৰিপোৰ্ট/১৫৮/২০১৫/অং-১/১০ তাং ১১.৫.১৬

প্ৰেৰক : শ্ৰী প্ৰতীক হাজেলা, আই.এ.এছ ।
ৰাজ্যিক সম্বনয়ক, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী
অসম।

প্ৰতি : সম্পাদক,
নিয়মীয়া বাৰ্তা
গুৱাহাটী-৩৫ ।

বিষয় : স্পষ্টীকৰণ প্ৰকাশৰ বাবে অনুৰোধ ।

প্ৰসঙ্গ : ০৭-০৫-২০১৬ সংখ্যাৰ 'নিয়মীয়া বাৰ্তা' কাকতত "এনআৰচি : নগাঁও উপায়ুক্তক পত্ৰ নাগৰিক সমিতিৰ" শীৰ্ষক বাতৰি দ্ৰষ্টব্য ।

মহোদয়,

জনহিতৰ প্ৰতি লক্ষ্য ৰাখি প্ৰসঙ্গ নিৰ্দ্দেশত উল্লেখিত বাতৰিৰ সন্দৰ্ভত আপোনাৰ জনপ্ৰিয় কাকত 'নিয়মীয়া বাৰ্তা'ত তলত উল্লেখিত স্পষ্টীকৰণটো প্ৰকাশ কৰিবলৈ অনুৰোধ জনালো :

**স্পষ্টীকৰণ-** যোৱা ০৭-০৫-২০১৬ সংখ্যাৰ 'নিয়মীয়া বাৰ্তা' কাকতত প্ৰকাশিত "এনআৰচি : নগাঁও উপায়ুক্তক পত্ৰ নাগৰিক সমিতিৰ" শীৰ্ষক বাতৰিটোৰ প্ৰতি ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষিত হৈছে। উপৰিউক্ত বাতৰিটোত উল্লেখ কৰা ধৰণৰ কোনো নিৰ্দ্দেশনা ৰাজ্যিক সমন্বয়কৰ দ্বাৰা জাৰি কৰা হোৱা নাই। ৰাষ্ট্ৰীয় ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণৰ কাম স্বচ্ছ আৰু আইনগত বিধি-বিধানৰ আধাৰত কাৰ্য্যকৰী কৰি থকা হৈছে। এই সন্দৰ্ভত কোনো সংখ্যালঘু বা সংখ্যাগুৰু শ্ৰেণীভিত্তিক বিবেচনাৰ স্থান নাই। প্ৰণিধানযোগ্য যে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত কোনো 'ডি' ভোটাৰ (DV-Doubtful Voter) নাইবা বিদেশী হিচাপে ঘোষিত লোক (DF-Declared Foreigner)ৰ নাম অন্তৰ্ভূক্ত হ'ব নোৱাৰে। আনহাতেদি, অসমৰ "Original Inhabitants"-ৰ নাম "নাগৰিকত্ব (নাগৰিকৰ পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয় পত্ৰ প্ৰদান) বিধি, ২০০৩" ত সন্নিবিষ্ট পৰিশিষ্টৰ ধাৰা ৩(৩), [Clause 3(3) of Schedule framed under section 4A(4) of 'the Citizenship (Registration of Citizens and Issue of National identity Cards) Rules, 2003] মৰ্ম্মে আইনগতভাবেই স্থানীয় পঞ্জীয়কৰ সুচিন্তিত বিবেচনাৰ ভিত্তিত অন্তৰ্ভূক্ত হ'ব লাগে। মাননীয় উচ্চতম ন্যায়ালয়েও গুণগত পৰীক্ষণৰ আধাৰত ত্ৰুটিবিহীন আৰু শুদ্ধ নাগৰিক পঞ্জীৰ উন্নীতকৰণৰ বাবে নিৰ্দ্দেশনা দিছে। উন্নীত কৰিবলৈ লোৱা ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ শুদ্ধতা নিশ্চিত কৰিবলৈ ক্ষেত্ৰ-পৰীক্ষণৰ সময়তে পৰীক্ষণকাৰী দলে 'ডি-ভি' (DV), ডি-এফ' (DF) আৰু 'অ'-আই' (OI) সকলক চিনাক্ত কৰি লোৱাৰ বাবে পৰীক্ষণকাৰী দলৰ প্ৰতিবেদন প্ৰপত্ৰ (VTR)ৰ মন্তব্যৰ ঘৰত 'DV/DF/OI'ৰ তথ্য উল্লেখৰ ব্যৱস্থা কৰা হয়। য'ত য'ত এনে ধৰণৰ মন্তব্যৰ উল্লেখৰ প্ৰয়োজন নাই, তেনে ক্ষেত্ৰত পৰীক্ষণকাৰী দলে 'ডেছ' (-) চিহ্ন দিয়াটো অতি স্বাভাৱিক প্ৰক্ৰিয়া। ৰাজ্যিক সমন্বয়কে গ্ৰহণ কৰা এই পদ্ধতিটোৰ বৈধতা মাননীয় উচ্চতম ন্যায়ালয়ৰ দ্বাৰা গঠিত ন্যায়াধীশ কমিটিৰ দ্বাৰাও স্বীকৃত হৈছে। অভিযোগকাৰী সকলে সংখ্যালঘু লোকৰ নামৰ বিপৰীতে মন্তব্যৰ ঠাইত 'ডি-ভি', 'ডি-এফ', 'অ'-আই' ৰ কোনোটোৱেই নিলিখি 'ডেছ' (-) চিহ্ন দিয়াৰ নিৰ্দ্দেশনা দিয়া বুলি কৰা অভিযোগটো গোকাট মিছা, অসৎ উদ্দেশ্য প্ৰনোদিত আৰু বিভ্ৰান্তিকৰ। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ দৰে স্পৰ্শকাতৰ বিষয় এটাৰ সন্দৰ্ভত

বাতৰি কাকতত প্ৰকাশিত এনেধৰণৰ ভিত্তিহীন অভিযোগে জনমানসত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি কৰিব। ৰাজ্যিক সমন্বয়কৰ পৰা জানি বুজি নোলোৱাকৈ এনে ধৰণৰ বা-বাতৰি 'নিয়মীয়া বাৰ্তা'ৰ দৰে জনপ্ৰিয় কাকতত প্ৰকাশ কৰাতোও বাঞ্চনীয় নহয়। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ কৰ্তৃপক্ষই সম্পূৰ্ণ ভিত্তিহীন আৰু মনেসজা এই বাতৰিটোৰ সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে জনসাধাৰণক এনে অপ-প্ৰচাৰৰ দ্বাৰা বিভ্ৰান্ত নহ'বলৈ অনুৰোধ জনাইছে।

ইতি,

ভৱদীয়,

(প্ৰতীক হাজেলা,আই.এ.এছ)
ৰাজ্যিক সম্বনয়ক,ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী
অসম।

স্মাৰক নং এছ পি এম ইউ/এন আৰ চি/মে:ৰিপোৰ্ট/১৫৮/২০১৫/অং-১/১০-ক তাং ১১.৫.১৬
প্ৰতিলিপি জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল :

(১) ষ্টাফ অফিচাৰ, মূখ্য সচিব, অসম। বিষয়টো মূখ্য সচিব মহোদয়ক জ্ঞাত কৰিবলৈ তেওঁতক অনুৰোধ কৰা হ'ল।
(২) সঞ্চালক, তথ্য আৰু জন সম্পৰ্কৰক্ষী বিভগ, অসম, দিচপুৰ, গুৱাহাটী-৬।

(প্ৰতীক হাজেলা,আই.এ.এছ)
ৰাজ্যিক সম্বনয়ক,ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী
অসম।

অনা ছুম' (নং এ এছ ০১ ডি ডি ০৩১৩)খনত উঠাই কাৰবলৈ সক্ষম হয় কমলপুৰ আঁৰক্ষায়ে।

# এনআৰচি ঃ নগাঁও উপায়ুক্তক পত্ৰ নাগৰিক সমিতিৰ

নিয়মীয়া বাৰ্তা, জুৰীয়া, ৬ মে' ঃ ৰাজ্যত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ কাম পূৰ্ণগতিত চলি থকা সময়তে এন আৰ চি সমন্বয়কগৰাকীয়ে সংখ্যালঘু শ্ৰেণীৰ লোকৰ নামৰ বিপৰীতে থকা মন্তব্যৰ ঠাইত অ' আই অৰ্থাৎ প্ৰকৃত বাসিন্দা নিলিখাকৈ ডেছ (-) চিহ্ন ব্যৱহাৰ কৰাৰ বাবে দিয়া নিৰ্দেশনাৰ প্ৰতি জাঙুৰ খাই উঠিছে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী সজাগতা নাগৰিক সমিতিয়ে আজি সংগঠনটোৱে উপৰিউক্ত বিষয় সন্দৰ্ভত নগাঁও জিলাৰ নৱনিযুক্ত উপায়ুক্ত আদিল খানক সাক্ষাৎ কৰি এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। সংগঠনটোৰ সভাপতি অৱসৰপ্ৰাপ্ত জিলা সত্ৰ ন্যায়াধীশ হবিবুল্লাহ, উপ-সভাপতি অৱসৰপ্ৰাপ্ত ন্যায়াধীশ জালাল উদ্দিন আহমেদ, সাধাৰণ সম্পাদক সৰকাৰ গিয়াছ উদ্দিন আহমেদকে ধৰি ৮গৰাকীকৈ সদস্যৰ স্বাক্ষৰ আছে স্মাৰক-পত্ৰখনত। স্মাৰক-পত্ৰত উল্লেখ কৰা মতে, এন আৰ চি ৰাজ্যিক সমন্বয়কগৰাকীয়ে এন আৰ চি জিলা পঞ্জীয়ক অৰ্থাৎ ডি আৰ চি আৰু স্থানীয় পঞ্জীয়ক অৰ্থাৎ এল আৰ চি আৰসকলক সংখ্যালঘু লোকৰ নামৰ বিপৰীতে মন্তব্যৰ ঠাইত অ আই (প্ৰকৃত বাসিন্দা)/ ডি ডি (সন্দেহজনক ভোটাৰ)/ডি এফ (সন্দেহজনক বিদেশী) এই কোনোটোৱেই নিলিখি ডেছ (-) চিহ্ন দিয়াৰ যি নিৰ্দেশনা জাৰি কৰিছে, এই কাৰ্য সম্পূৰ্ণ বিধি-বহিৰ্ভূত বুলি কৈ সংগঠনটোৱে জনায় যে ক্ষেত্ৰ পৰীক্ষণৰ সময়ত যিহেতু নাগৰিকত্বৰ সকলো নথি-পত্ৰ ক্ষেত্ৰ পৰীক্ষক দলে পৰীক্ষা কৰিছে, সেই হেতু মন্তব্যৰ ঠাইত ডেছ (-) চিহ্ন দিয়াৰ কোনো যুক্তি নাই। সংগঠনটোৱে স্মাৰক-পত্ৰৰ ২নং দফাত উল্লেখ কৰে যে নাগৰিক সংশোধনী বিধিত স্থায়ী বাসিন্দাৰ উল্লেখ আছে যদিও ইয়াৰ কোনো সংজ্ঞা নাই। ইয়ে অসমত বসবাস কৰা জাতি-ধৰ্ম-বৰ্ণ ভাষা নিৰ্বিশেষে যিসকলে নাগৰিকত্বৰ প্ৰমাণ-পত্ৰ দিব পাৰে, সকলো ইয়াত অন্তৰ্ভুক্ত।

নিয়মীয়া বাৰ্তা 7/5